# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 25-07-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - -

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি দেশৰ জনাদেশক অৱমাননা কৰা বুলি বুলি বিৰোধী পক্ষক সমালোচনা কৰে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ৰিজিজুৱে কয় যে, দেশৰ জনসাধাৰণে সংসদত বাজেট সন্দৰ্ভত ইতিবাচক আৰু অৰ্থৱহ আলোচনা হোৱাটো বিচাৰে। তেওঁ লগতে কয় যে, একাংশ দলৰ নেতাৰ ব্যক্তব্যই সদনৰ মৰ্যাদা হানি কৰিছে। তেওঁ বিৰোধী পক্ষক জনাদেশক সন্মান জনাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তব্যৰ উদ্ধৃতি দি শ্ৰী ৰিজিজুৱে কয় যে, নিৰ্বাচন সম্পন্ন হৈছে আৰু এতিয়া সকলোৱে বিকশিত ভাৰতৰ হকে কাম কৰাৰ লগতে কেন্দ্ৰীয় বাজেট সম্পৰ্কত গঠনমূলক আলোচনা কৰা উচিত। বিৰোধী নেতাসকলে বাজেট সম্পৰ্কে উল্লেখযোগ্য কোনো কথা কোৱাৰ বিপৰীতে কেৱল ৰাজনীতি কৰিছে আৰু প্ৰধানমন্ত্ৰীক অৱমাননা কৰিছে বুলি তেওঁ মন্তব্য কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজনৈতিক দলৰ নেতাসকলে সদস্যসকলক সংসদৰ মজিয়াত হুলস্থূল নকৰি যুক্তিসংগত বিতৰ্কত ভাগ ল'বলৈ আহ্বান জনোৱা উচিত। তেওঁ কয় যে এই বাজেটে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ প্ৰয়াস কৰাৰ লগতে আন্তঃগাঁথনিৰ বাবে পুঁজি আৱণ্টন, সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ বাবে সুবিধা, মহিলাৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উপৰি নিয়োগ সৃষ্টি আৰু কৃষকৰ বাবে সুবিধা সৃষ্টি কৰিছে। শ্ৰী ৰিজিজুৱে কয় যে যদি বিৰোধীয়ে এই কথা নুবুজে তেন্তে জনসাধাৰণে তেওঁলোকক শাস্তি বিহিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জনসাধাৰণৰ বাবে তৃতীয়বাৰলৈ ক্ষমতাত অধিষ্ঠিত হৈছে কিন্তু বিৰোধীয়ে এই সন্দৰ্ভত ব্যাখ্যা সলনি কৰিবলৈ চেষ্টা কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বাজেট অধিৱেশনত বাজেট সম্পৰ্কেহে আলোচনা হোৱা উচিত। খেতিয়ক আৰু জনজাতীয় লোকসকলৰ বাবে বাজেটত আগবঢ়োৱা সুবিধাসমূহৰ বিষয়ে আলোচনা নকৰি বিৰোধী পক্ষই কিয় ফালৰি কাটিছে বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে।

ooooo

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি বিভাগীয় শীৰ্ষ বিষয়াসকলৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ বান আৰু খহনীয়া সমস্যা প্ৰতিৰোধৰ লক্ষ্যৰে অনুমোদিত কামসমূহ নিৰ্ধাৰিত সময়ত প্ৰযুক্তিৰ সহায়ত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে অভিনৱ কৌশল তথা প্ৰযুক্তিৰ সহায়ত কামসমূহ পূৰ্বতকৈ কিদৰে উন্নত কৰিব পাৰি এই বিষয়ে আলোচনা কৰে। তদুপৰি বৰ্তমানেও ৰূপায়িত হৈ থকা কাম-কাজসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

ইপিনে ৰাজ্যৰ বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি মৰিগাঁও জিলাত বান পৰিস্থিতি পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লৈ বিভিন্ন বিভাগক তৎপৰতাৰে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে।

০০০০০

বিজেপিৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদকসকলৰ দুদিনীয়া গুৰুত্বপূৰ্ণ বৈঠক আজিৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হৈছে। এই বৈঠকত দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষ উপস্থিত থাকিব। এই বৈঠকত লোকসভা নিৰ্বাচনৰ ফলাফল পুনৰীক্ষণ কৰাৰ লগতে ৰাজ্যসমূহত হ'বলগীয়া বিধানসভা নিৰ্বাচন সন্দৰ্ভত আলোচনাৰ সম্ভাৱনা আছে। তদুপৰি সংগঠনৰ পৰৱৰ্তী কাৰ্যসূচীৰ বিষয়েও বৈঠকত আলোচনা কৰা হ'ব। ইয়াৰ পাছতে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে কৌশল প্ৰস্তুত কৰা হ'ব। এই বৈঠকৰ পাছত শনিবাৰ আৰু দেওবাৰে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু দলৰ ৰাজ্যিক সভাপতিৰ বৈঠক অনুষ্ঠিত হ'ব।

০০০০০

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত মুকলি থাকিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত প্ৰকাশ কৰা মতে পদ্ম বঁটাৰ বাবে মনোনয়ন আৰু পৰামৰ্শসমূহ ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী হিচাপে অভিহিত এই পদ্ম বঁটাসমূহ হ'ল - দেশৰ সৰ্বোচ্চ পৰ্যায়ৰ অসামৰিক সন্মান। ১৯৯৫ চনত প্ৰৱৰ্তন কৰা এই বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি ঘোষণা কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, ভেষজ, সামাজিক কৰ্ম, বাণিজ্য আৰু উদ্যোগ তথা বিজ্ঞান আৰু অভিযান্ত্ৰিক ক্ষেত্ৰলৈ আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী সেৱাৰ প্ৰতি স্বীকৃতি প্ৰদানৰ উদ্দেশ্যে এই বঁটাসমূহ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে চিকিৎসক আৰু বিজ্ঞানীসকলৰ বাহিৰে ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিষ্ঠানত কৰ্মৰত লোকসকলকে ধৰি চৰকাৰী চাকৰিয়ালসকল এই বঁটাৰ বাবে মনোনীত নহয়।

০০০০০

গুৱাহাটীৰ আৰ জি বৰুৱা ৰোডত থকা শিক্ষাভৱনত গুৱাহাটী চিটী ডবা সন্থাৰ উদ্যোগত অনুষ্ঠিত ৭ বছৰ অনূৰ্ধ, ১১ বছৰ আৰু ১৫ অনূৰ্ধ শাখাৰ বাবে ডবা প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। ৭ বছৰ তলৰ ল'ৰাৰ শাখাত আদ্বিক বণিকে চেম্পিয়নৰ খিতাপ লাভ কৰে। আনহাতে জিছান কাশ্যপে টাইব্ৰেক স্কৰৰ ভিত্তিত দ্বিতীয় স্থান আৰু ৰেবংশ শৰ্মাই তৃতীয় স্থান লাভ কৰে। ছোৱালী শাখাত আদ্বিকা গিৰি চেম্পিয়ন হৈছে। এই শাখাত দৰথী পাটগিৰিয়ে দ্বিতীয় আৰু নিষ্ঠা অংকিতাই তৃতীয় স্থান লাভ কৰে। ১১ বছৰ অনূৰ্ধৰ ল'ৰাৰ শাখাত হৰ্যদ্বীপ ডেকা আৰু ছোৱালীৰ শাখাত ঋতিশা মাইৰা ৰাজবংশীয়ে প্ৰথম স্থান লাভ কৰিছে। ১৫ বছৰ অনূৰ্ধৰ মুকলি শাখাত হৃদিকা দাসে চেম্পিয়ন হয়।

০০০০০

সমাপ্ত